# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | YEAR OF OUR LORD JESUS CHRIST, 2024 APRIL | No. 10


### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক
প্ৰভূৰ প্ৰশংসা হওঁক !

**গীতমালা ৩৪ঃ১-১০**

১। মই সকলো সময়ত যিহোৱাৰ ধন্যবাদ কৰিম, তেওঁৰ প্ৰশংসা মোৰ মুখত থাকিব।

২। মোৰ প্ৰাণে যিহোৱাতেই গৌৰৱ কৰে, তাকে শুনি নম্ৰ লোকে আনন্দ কৰক।

৩। তোমালোকে মোৰ সৈতে যিহোৱাৰ মহিমা কীৰ্ত্তন কৰা। আঁহা আমি একেলগে তেওঁৰ নামৰ প্ৰশংসা কৰোহঁক।

৪। মই যিহোৱাক বিচাৰিলো, তাতে তেওঁ মোক উত্তৰ দিলে, মোৰ সকলো ভয়ৰ পৰা তেওঁ মোক উদ্ধাৰ কৰিলে।

৫। তেওঁৰ ফালে যেতিয়া লোকসকলে চায়, তেওঁলোক তেতিয়া জ্যোতিষ্মান হৈ উঠে। তেওঁলোকৰ মুখ লাজত কেতিয়াও বিবৰ্ণ ন'হব।

৬। এই দুখীয়ে প্ৰাৰ্থনা কৰাত যিহোৱাই শুনিলে আৰু সকলো সঙ্কটৰ পৰা তেওঁক পৰিত্ৰাণ কৰিলে।

৭। যিহোৱালৈ ভয় ৰাখোঁতাসকলৰ চাৰিওফালে যিহোৱাৰ দূতে ছাউনি পাতে আৰু তেওঁলোকক উদ্ধাৰ কৰে।

৮। যিহোৱা যে মঙ্গলময় তাক তোমালোকে আস্বাদন কৰি চোৱা। তেওঁত আশ্ৰয় লোৱালোক ধন্য।

৯। হে যিহোৱাৰ পৱিত্ৰ লোকসকল, তোমালোকে তেওঁলৈ ভয় ৰাখা কিয়নো যিসকলে তেওঁলৈ ভয় ৰাখে তেওঁলোকৰ একোৰে অভাৱ নহয়।

১০। ডেকা সিংহবোৰৰ আহাৰৰ অভাৱ হয়, সিহঁতে ভোকত কষ্ট পায়; কিন্তু যিসকলে যিহোৱাক বিচাৰে তেওঁলোকৰ মঙ্গলৰ অভাৱ নহয়।

## আপোনাক উদ্ধাৰ কৰিবলৈ এজনা উদ্ধাৰকৰ্ত্তা আছে! ভয় নকৰিব!!

## THERE IS A SAVIOUR TO DELIVER YOU! DO NOT FEAR!!

### ভনী জেচি ভিনা চাম



আমাৰ প্ৰভূ, যিজন আমাৰ ডদ্ধাৰকৰ্ত্তাও হয়, আজিকালি আমাক চলায় আছে। বাইবেলৰ সময়ত, সেই একেজনা প্ৰভু ঈশ্বৰে মানুহবিলাকৰ ক্ৰন্দন শুনিছিল, তেওঁলোকৰ নিবেদন শুনিছিল, সকলো বিপদৰ পৰা তেওঁলোকক ৰক্ষা কৰিছিল আৰু তেওঁলোকলৈ পৰিত্ৰাণ দান কৰিছিল। বাইবেলত উল্লেখ কৰা আছে যে তেওঁ কিছুমান মানুহক ব্যক্তিগতভাৱে উদ্ধাৰ কৰিছিল।

### ১) মোচি

আহক প্ৰথমে আমি পৰীক্ষা কৰি চাঁও যে মোচিয়ে কিদৰে আৰু কি পৰিস্থিতিৰ পৰা ইস্ৰায়েল লোকসকলক উদ্ধাৰ কৰিছিল। যাত্ৰা পুস্তকৰ দ্বিতীয় অধ্যায়ে আমাক মোচিৰ জন্মৰ বিষয়ে কয়। যোচেফৰ বাবেহে ইস্ৰায়েলসকলে প্ৰথম অৱস্থাত মিচৰত স্বাধীনতা উপভোগ কৰিব পাৰিছিল।

*৩ পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



REACHING NATIONS

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**"...যিহোৱা তোমাৰ পক্ষত থাকিব আৰু তোমাৰ ভৰি ফান্দত নপৰাকৈ ৰাখিব"** - হিতোপদেশ ৩ঃ২৬

খ্ৰীষ্টত প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰানকৰ্তা যীচু খ্ৰীষ্টৰ মহিমাণ্ডিত নামত উষ্ম শুভেচ্ছা জনালোঁ।

১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ মাহেকীয়া প্ৰকাশক অন্তৰ্ভূক্ত কৰাৰ লগতে ৪ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেল, বিব্লেকৰ, - ৩ টা ভাষাত প্ৰাথমিক বাইবেল যোগাযোগ পাঠ্যক্ৰমসমূহ, ২ টা ভাষাত থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰমসমূহ, ৩ টা বেলেগ বেলেগ অৱস্থানত চেইন্ট পৌলচ্ মেট্ৰিকলেশ্বন স্কুল (গ্ৰাম্য ইংৰাজী হাই স্কুল), কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীসমূহৰ দৰে আমাৰ নানা পৰিচৰ্য্যাৰ বাবে প্ৰতিক্ৰিয়া পোৱাত আমি আনন্দিত হৈছো। পৃথিৱীলৈ শুভবাৰ্ত্তা বিলোৱাত আমি সক্ৰিয়ভাৱে জড়িত হৈ আছো। আমি আপোনালোকৰ সহায় আৰু দয়াৰ বাবে আন্তৰিকতাৰে প্ৰসংশা কৰো। আমি অতি আগ্ৰহেৰে আপোনালোকৰ প্ৰতিক্ৰিয়ালৈ অপেক্ষা কৰি থাকো।

যোৱা ২০২৪ চনৰ ২ মাৰ্চত আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত বাৰ্ষিক দিৱস আমি কৃতকাৰ্যৰে পালন কৰিলো। এই কাৰ্যসূচীৰ সময়ত ছাত্ৰ-ছাত্ৰীসকল তেওঁলোকৰ প্ৰতিভাক প্ৰদৰ্শন কৰিলে আৰু ইয়াত তেওঁলোকৰ অভিভাৱকসকল আৰু চাৰিওফালৰ শিশুসকল আৰু বাসিন্দাসকলে যোগদান কৰিছিল। এটি সভা আৰু ডদ্ধাৰৰ সভাৰ দৰে লাগিছিল আৰু আমি আপোনালোকৰ প্ৰাৰ্থনাৰ বাবে কৃতজ্ঞ।




*Annual Day of St. Paul's Matriculation School*

যোৱা ২০২৪ চনৰ ৩ মাৰ্চত আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ চৌহদত আমি শিশুসকলৰ আৰু যুৱসকলৰ সমাৱেশৰ আয়োজন কৰিছিলো। অনুমানিক ২০০ জন সদস্যই এই কাৰ্য্যসূচীত যোগদান কৰিছিল আৰু ইয়াত বিশেষ গীত, সাক্ষ্যদান আৰু বাৰ্ত্তাসমূহক অন্তৰ্ভূক্ত কৰা হৈছিল।

দেওবৰীয়া উপাসনা শেষ হোৱাৰ পাছত আমি নিয়মীয়াকৈ যুৱক-যুৱতীসকলৰ সৈতে সহভাগিতা কৰো। এই শিশুসকলক ঈশ্বৰৰ পথত চলোৱা হৈছে। আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে আৰু হিন্দী আৰু তামিল ভাষাৰ নহিমিয়া বাইবেল কলেজৰ বাবে আমাক আৰু অধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু চলাওঁতাসকলৰ প্ৰয়োজন হৈছে। ১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনি নামৰ মাহেকীয়া আলোচনীৰ বাবে অধিক পঢ়োৱৈৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি আপোনালোকৰ বন্ধুসকলৰ আৰু সম্বন্ধীয়সকলৰ নাম আৰু ঠিকনা আমালৈ পঠিয়াই দিয়ক যাতে আমি তেওঁলোকৰ নিজ নিজ ভাষাত এই

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**HON. EDITOR-IN-CHIEF**

Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

**HON. MANAGING EDITOR**

Pastor Alex Samson Sam, B.Th., M.Div.

**GENERAL MANAGER**

Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA

**ADMINISTRATION**

Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

**EDITORIAL BOARD**

Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran

**EDITOR, PUBLISHER & PRINTER**

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858

**E.MAIL**

sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**

www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**

Echo of His Call



Children and Youth Rally



Nehemiah Bible College Board Meeting

আলোচনীখন বিনামূল্যত পঠাব পাৰো। উৰ্দু ভাষাতো তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পঢ়োঁতাৰ প্ৰয়োজন হৈছে। সৰু বা ডাঙৰ যিকোনো উপায়ে আপোনাৰ সহায়ক প্ৰশংসা কৰা হ'ব আৰু আপুনি ঈশ্বৰৰ দ্বাৰাই পুৰস্কৃত হ'ব।

পৃথিৱীৰ সমগ্ৰ দেশসমূহত শান্তি আৰু সমৃদ্ধিৰ বাবে আমি একেৰাহে প্ৰাৰ্থনা কৰি আছো। বিশেষভাৱে আমি ভাৰতৰ আধ্যাত্মিক সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰো। আপোনৰ ওপৰত, আপোনাৰ পৰিয়ালৰ ওপৰত আৰু আপোনাৰ দেশৰ ওপৰত ঈশ্বৰে আশীৰ্বাদ বৰষাই দিবলৈ প্ৰাৰ্থনা কৰো।



Prayer for students appearing Public Examination

আমাৰ নহিমিয়া বাইবেল কলেজৰ সভাপতি ৰেভাঃ এম, মুথু আৰু নতুনকৈ অধ্যাপকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা ৰেভাঃ জে, জন ৰাজাথামৰ নেতৃত্বত কলেজৰ উন্নতি আৰু ৰুটিন কাৰ্য্যকলাপৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰতি মাহত অনুষদ সদস্যসকলে মিলিত হয়।

আমি আপোনালোকৰ ই-মেইল, পত্ৰ, ফোনৰ যোগে কথাবাৰ্ত্তা হ'বলৈ আৰু ইত্যাদিৰ বাবে সদায়েই আশা কৰি থাকো, যিয়ে আমাক আত্মিক যুদ্ধত আৰু অধিক আগবাঢ়ি যাবলৈ শক্তি যোগাব। আমাৰ অফিচৰ কৰ্মকৰ্ত্তা, মণ্ডলীৰ বিশ্বাসীসকল, সহ-সম্পাদকসকল, পালকসকল, প্ৰচাৰকসকল, চাণ্ডেস্কুলৰ লৰা-ছোৱালীসকলৰ গ্ৰাম্য হাই স্কুল, বাইবেল স্কুল, ছপাশালৰ কৰ্মচাৰীসকল, আমাৰ পৰিয়ালবৰ্গ অনেক কৰ্মচাৰীসকল শাৰীৰিকভাৱে সুস্থ নহয়, এই সকলো বিষয়সমূহক আপোনালোকৰ প্ৰাৰ্থনাৰ সময়ত সোঁৱৰণ কৰক।

ঈশ্বৰে আপোনালোকক প্ৰচুৰ্য্য পৰিমানে আশীৰ্বাদ কৰক।

**পালক এচ, চাম ছেলভা ৰাজ আৰু**
**এলেক্স চামচন চাম**
**(+91) 98412 71858 / 98410 71858**
Email : sam@echoofhiscall.org

**************************************************************************

**মনোযোগ দিয়ক ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পঢ়োঁতাসকল**

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

**************************************************************************

*....Contd. from page 1*

কিন্তু পাছত তেওঁলোকে একেখন দেশত দাস হৈ গৈছিল, কঠোৰ ব্যৱহাৰ আৰু দুখ-কষ্ট স্বীকাৰ হৈ গৈছিল। তেওঁলোকে নিজ নিজ ভুলৰ বাবে ঈশ্বৰলৈ ক্ৰন্দন কৰিছিল।

ঈশ্বৰে আগেয়ে অব্ৰাহামক কৈছিল যে ইস্ৰায়েলবিলাকে ৪০০ বছৰ কাল মিচৰত দাস হৈ থাকিব (আদিপুস্তক ১৫ঃ১৩)। আদিপুস্তক ১৫ঃ১৬ পদত, ভৱিষ্যবাণী কৰা হৈছিল যে "তোমাৰ চতুৰ্থ প্ৰজন্মৰ লোকসকল ইয়ালৈ পুনৰ উলটি আহিব" ঈশ্বৰ, তেওঁৰ প্ৰতিজ্ঞাত সত্য হৈ থাকে। ইস্ৰায়েলসকলৰ ক্ৰন্দন তেওঁ শুনিছিল।

তেওঁলোকে দুখ সহ্য কৰিব নোৱাৰি ঈশ্বৰলৈ কাতৰোক্তি কৰি ক'লে "হে ঈশ্বৰ আমালৈ দয়াৱান হোৱা আৰু ফৰৌণৰ অশুভ হাতৰ পৰা আমাক বচোৱা, তুমি আমাৰ পূৰ্ব্বপুৰুষ সকললৈ প্ৰতিশ্ৰুতি দিয়াৰ দৰে গাখীৰ আৰু মৌজোল বৈ থকা সেই কনান দেশৰ ভূমিত কেতিয়া অধিকাৰ দিবা? কেতিয়া আমি আমাৰ প্ৰভুক স্বাধীনভাৱে আৰাধনা কৰিম আৰু বলি উৎসৰ্গা কৰিম"।

যিজন ঈশ্বৰে তেওঁৰ লোকসকলক পৰীক্ষা কৰে কিন্তু সামথ্যৰ বাহিৰত কেতিয়াও নকৰে, তেওঁলোকৰ ক্ৰন্দন শুনিলে। তেওঁলোকে বিপথগামী হোৱা সত্বেও, যেতিয়াই তেওঁলোকে পাপ স্বীকাৰ কৰি ঈশ্বৰলৈ দয়াৰ বাবে ক্ৰন্দন কৰিলে ঈশ্বৰৰ প্ৰেমময় হৃদয় তেওঁলোকক শুনিলে

আৰু দয়া কৰিলে।

ঈশ্বৰে মোচিক ফৰৌণৰ হাতৰ পৰা ইস্রায়েলসকলক উদ্ধাৰ কৰিবলৈ মনোনীত কৰিছিল। মাতৃৰ গৰ্ভতেই মোচিক এজন উদ্ধাৰকৰ্তাৰূপে নিৰূপিত কৰা হৈছিল (গীতমালা ১৩৯ঃ১৬) আৰু যেতিয়া মিচৰত দুবছৰৰ তলৰ ল'ৰা শিশুসকলক বধ কৰিবলৈ আদেশ দিয়া হৈছিল তেতিয়া মোচিক আচৰিতভাৱে ৰক্ষা কৰা হৈছিল। মোচিৰ মাতৃয়ে মোচিৰ বয়স তিনি মাহ হোৱালৈকে লুকুৱাই ৰাখিছে। তাৰ পাছত তেওঁক লুকুৱাই ৰখাটো অসম্ভৱ হৈ পৰিছিল। তেতিয়া তেওঁ নলেৰে এটা পাচি সজিলে আৰু পাচিটোত লৰাটোক সুমুৱাই ল'লে আৰু লাহেকৈ নীল নদীত উটুৱাই দিলে। ইয়াত ঘৰিয়ালেৰে ভৰি থকা বুলি জনা গৈছিল।

ফৰৌণৰ ৰাজমহলত এজন ৰাজকুমাৰৰ দৰে ডাঙৰ-দীঘল হৈছিল। মোচিয়ে পাছত তেওঁৰ ইস্রায়েলীয়া পৰিচয় দিবলৈ গৈ এজন মিচৰীয়ালোক হত্যা কৰি অৰণ্যলৈ পলাই গৈছিল। ৪০ বছৰ তেওঁ এজন মেৰৰখীয়াৰ দৰে জীৱিকা চলায় থকাৰ সময়ত ঈশ্বৰে তেওঁক দৰ্শন দিলে।

মোচিয়ে দেখিলে যে এজোপা গছৰ পৰা জুই ওলায় আছে কিন্তু গছজোপাৰ পাতবোৰ জ্বলা নাই, তাকে দেখি তেওঁ আচৰিত হৈ ভাবিলে যে এই ধৰণৰ ঘটনা কিভাৱে ঘটিব পাৰে। তেতিয়া ঈশ্বৰে তেওঁক মাতি ক'লে "হে মোচি, হে মোচি মই মিচৰত থকা মোৰ লোকসকলৰ যন্ত্ৰনালৈ নিশ্চয়ে দৃষ্টি কৰিছো। তুমি মিচৰৰ ফৰৌণৰ ওচৰলৈ যাব লাগিব, তেওঁক কবা যাতে সি ইস্রায়েলসকলক মুক্তি দিব আৰু তুমি তেওঁলোকক কনান দেশলৈ চলায় লৈ যাবা, যি ভূমি মই অব্ৰাহাম আৰু ইচহাকক দিবলৈ প্ৰতিজ্ঞা কৰিছিলো। মই এই দায়িত্ব তোমাক দিছো।"

প্ৰথমে তেওঁ অনিচ্ছা কৰি প্ৰশ্ন কৰিছিল, অবিশ্বাস কৰিছিল। নিজকে অযোগ্য বুলি কৈছিল আৰু কথা কওঁতে স্পষ্টকৈ নোলায় বুলি কৈছিল। তেওঁৰ সংৰক্ষন সত্বেও ঈশ্বৰে তেওঁক নিশ্চিত কৰি ক'লে, "ফাৰোণৰ ওচৰলৈ যোৱা, মই তোমাৰ সঙ্গী হ'ম। তোমাৰ ভাই হাৰোণক লগত লৈ কথা কবা"।

কেতিয়াবা মোচিৰ দৰে, ঈশ্বৰে আমাকো কিবা বিশেষ কাৰ্য্য কৰিবলৈ কয় বা আমাৰ স্বাৰ্থপৰ স্বভাৱত পৰি কিছুমান কাৰ্য্যক নকৰিবলৈ কয় তেতিয়া আমি অনেক অজুহাত দেখুৱাও।

যি কি নহওক অৱশেষত মোচিয়ে ঈশ্বৰৰ আজ্ঞাৰ প্ৰতি বাধ্য হ'ল আৰু ইস্রায়েলসকলৰ বন্দী অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ মনোনীত হ'ল। ঈশ্বৰে মোচিক এজন বন্ধুৰ দৰে মুখামুখিকৈ কথা ক'লে (যাত্ৰাপুস্তক ৩৩ঃ১১)। ঈশ্বৰে তেওঁৰ শক্তিৰে মোচিক আচৰিত চিনবোৰ দেখুৱালে, ঈশ্বৰৰ দ্বাৰাই তেওঁ মনোনীত হৈ, তেওঁলোকক চুফ সাগৰেদি পাৰ কৰি মিচৰৰ পৰা উলিয়াই আনিলে।

এই বিষয়ে আমি যাত্ৰাপুস্তকৰ ১ ৰ পৰা ১৪ অধ্যায়লৈকে পঢ়িলে পাওঁ। প্ৰভু ঈশ্বৰে তেওঁলোকৰ উদ্ধাৰৰ পাছতো ফৰৌণ ৰজাক তেওঁলোকৰ পিছে পিছে যাবলৈ দিলে। মিচৰত ৪৩০ বছৰ পাছত (চতুৰ্থ বংশ) এতিয়া ইস্রায়েল বিলাকে তেওঁলোকৰ সন্মুখত চুফ সাগৰৰ সন্মুখীন হৈছে পিছে পিছে ফৰৌণ আৰু তেওঁৰ সেন্যদল আহি আছে আনফালে পৰ্ব্বতৰ দৰে আছে নদীখন, তেওঁলোকে ক্ৰন্দন কৰিলে।

মোচিয়ে ঈশ্বৰৰ পৰা স্বৰ্গীয় আদেশ বিচাৰি চুফ সাগৰক দুভাগ কৰিলে। যেতিয়া মোচিয়ে জলসমূহৰ ওপৰত তেওঁৰ লাখুটিৰে চুই দিলে জলসমূহ দুভাগ হ'ল আৰু বেৰৰ দৰে থিয় হৈ থাকিল। শুকান ভূমিত ইস্রায়েলসকলে পাৰ হৈ যাবলৈ পথ সৃষ্টি কৰিলে। পিছে পিছে অহা সৈনিকসকল সাগৰত ডুব গ'ল। ঈশ্বৰৰ পৰাক্ৰম আৰু মহিমাক দেখা গ'ল। এইদৰে মোচিয়ে এজন উদ্ধাৰকৰ্ত্তাৰ দৰে সাগৰক দুভাগ কৰি ঈশ্বৰৰ লোকসকলক ৰক্ষা কৰিলে।

## ২) অৎনীয়েল

বিচাৰকৰ্ত্তা ৩ঃ১-১১ পদত আমি পাওঁ যে আচৰিত কৰ্মবোৰ দেখাৰ পাছতো ইস্রায়েলসকলে কনানত বাৰে বাৰে বিদেশী দেৱতাসকলক সেৱা কৰাৰ দ্বাৰাই পাপত পৰিছিল। ঈশ্বৰৰ ক্ৰোধ তেওঁলোকৰ ওপৰত প্ৰজ্বলিত হ'ল আৰু তেওঁ তেওঁলোকক অৰাম-লহৰিয়মৰ ৰজা কুচন-ৰিচাথৰিয়মৰ হাতত তুলি দিলে। তাত তেওঁলোকে আঠ বছৰমান দাসৰ দৰে কষ্ট পায় থাকিল।

আমাৰ প্ৰভুয়ে পাপ কৰাসকলক ত্যাগ কৰি নিদিলে; যিচয়া ৫৪ঃ৭ পদত প্ৰতিজ্ঞা কৰাৰ দৰে যেতিয়া মানুহবিলাকে উদ্ধাৰ পাবৰ বাবে ক্ৰন্দন কৰিলে "মই অলপ সময়ৰ বাবে তোমালোকক ত্যাগ কৰিলো কিন্তু অধিক দয়াৰে

৬ পৃষ্ঠাত চাওঁক

NEHEMIAH BIBLE
RESIDENTIAL / EVENING COLLEGE,
Velachery / Chepauk & Santhoshapuram, Chennai.
Medium : Hindi / Tamil
Registered Candidate for Membership
Asia Theological Association (ATA)
Recognised by International Christian Leaders &
Senior Pastors for the past 54 years
Qualification :
10th Standard & above
Certificate in Ministry
Diploma in Theology
Rush for Admission!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ চনৰ ১৯ এপ্ৰিলৰ পৰা ২০২৪ চনৰ ১৮ মেলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

এপ্ৰিল ১৯ - শুভবাৰ্ত্তা নোপোৱা বিভিন্ন ভাষাৰ লোকসকলৰ বাবে আমাৰ ইখ অফ হীজ ক'ল ইউ টিউব চেনেলৰ ওপৰত আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২০ - ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২১ - আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কৰ্মচাৰীসকলক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে।

এপ্ৰিল ২২ - আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আত্মাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত তেওঁৰ দয়াৰ বাবে।

এপ্ৰিল ২৩ - ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাৰ্ষিক দিন পালন যোৱা মাহৰ ২ মাৰ্চ ২০২৪ তাৰিখে পালন কৰাত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২৪ - যোৱা মাহৰ ৩ মাৰ্চ ২০২৪ তাৰিখে আমাৰ পৰীক্ষাৰ প্ৰাৰ্থনা সভা আৰু যুৱ কাৰ্য্যকলাপবিলাকত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২৫ - যুৱকসকলক আমাৰ মণ্ডলীৰ কাৰ্য্যকলাপ বিলাকত আগ্ৰহেৰে যোগদান কৰিবলৈ উৎসাহ যোগোৱাত আশীৰ্বাদ কৰাৰ বাবে।

এপ্ৰিল ২৬ - আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰাই দশম শ্ৰেণীৰ চৰকাৰী পাব্লিক পৰীক্ষাসমূহ কৃতকাৰ্য্যৰে সম্পন্ন কৰাত তেওঁৰ আশীৰ্বাদৰ বাবে।

এপ্ৰিল ২৭ - আমাৰ আটাই মণ্ডলীবিলাকৰ ওপৰত চাণ্ডেস্কুল, যুৱক আৰু স্কুল পৰিচৰ্য্যাসমূহৰ বাবে আমি তেওঁৰ আশীৰ্বাদ বিচাৰোঁ।

এপ্ৰিল ২৮ - আমাৰ নহিমিয়া বাইবেল কলেজৰ স্বীকৃতিৰ বাবে এ, টি, এ (এচিয়ান থিয়লজীকেল এচচিয়েচন) ৰ পৰিদৰ্শকসকল ভেট পৰিদৰ্শন মূল্যায়ন দলৰ বাবে আমি আশীৰ্বাদ বিচাৰিছো।

এপ্ৰিল ২৯ - আমাৰ জেষ্ঠ পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ অধিপত্যৰ পৰা নিৰাপত্তাৰ বাবে।

এপ্ৰিল ৩০ - ১৬ টা ভাষাত আমাৰ ছপাশালত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠিওৱা আলোচনীবিলাকৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

মে ০১ - ২০২৩-২০২৪ বৰ্ষৰ আৰ্থিক আশীৰ্বাদৰ বাবে।

মে ০২ - আমাৰ সহকাৰীসম্পাদকসকল, সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

মে ০৩ - মিশ্বন কৰ্মীসকলৰ পৰা মহান অঙ্গীকাৰৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

মে ০৪ - বিৰাজমান চৰম বতৰৰ অৱস্থাৰ পৰা পৃথিৱীক ৰক্ষা কৰিবলৈ ঈশ্বৰৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

মে০৫ - পৃথিৱীৰ সকলো মাতৃসকলে তেওঁলোকৰ সন্তানসকলক নিঃস্বাৰ্থভাৱে ডাঙৰ-দীঘল কৰি আছে। তেওঁলোকৰ বাবে।

মে ০৬ - ইস্ৰায়েলত, পলিষ্টিয়াত, ইউক্ৰেইনত আৰু ৰাছিয়াত শান্তি ঘূৰি আহিবৰ বাবে।

মে ০৭ - আমাৰ জেষ্ঠ পালকৰ জীৱনী কৃতকাৰ্য্যতাৰে লিখি শেষ কৰাৰ বাবে আহক প্ৰাৰ্থনা কৰোঁ।

মে ০৮ - নতুন আৰ্থিক বৰ্ষত ঈশ্বৰৰ স্বৰ্গীয় সহায়ৰ বাবে।

মে ০৯ - পালক, জনীৰ শোকাহত পৰিয়ালৰ বাবে স্বৰ্গীয় শান্তনা।

মে ১০ - আমাৰ শুভবাৰ্ত্তা ছপাশাল আৰু ইয়াৰ দৈনিক চলাচলৰ বাবে।

মে ১১ - যাতে ঈশ্বৰে আমাৰ এ, টি, এ স্বীকৃতি কাৰ্যকলাপবিলাকত আশীৰ্বাদ কৰিব।

মে ১২ - আমাৰ অনুষ্ঠানত কৰ্মীসকলৰ মাজত একতা আৰু সম্প্ৰীতিৰ বাবে।

মে ১৩ - অহা ১ জুন ২০২৪ তাৰিখত নহিমিয়া বাইবেল কলেজৰ সভাখন কৃতকাৰ্য্যতাৰে সম্পন্ন হ'বৰ বাবে।

মে ১৪ - ২০২৪-২৫ শিক্ষাবৰ্ষত নহিমিয়া বাইবেল কলেজৰ বাবে বাসগৃহ আৰু সন্ধ্যা ক্লাচৰ বাবে উপযুক্ত ছাত্ৰ-ছাত্ৰীৰসকলৰ নামভৰ্ত্তিৰ বাবে।

মে ১৫ - ২০২৪-২৫ শিক্ষাবৰ্ষত আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্ত্তিৰ বাবে।

মে ১৬ - গোটেই পৃথিৱীত দীৰ্ঘদিন ধৰি হস্পিতেলত থকা ৰোগীসকলৰ বাবে।

মে ১৭ - ঈশ্বৰক ভয় কৰা আৰু আদৰ কৰি চলোতাসকলক ঈশ্বৰে যাতে আশীৰ্বাদ কৰিব।

মে ১৮ - ঈশ্বৰৰ দাসসকলক হত্যা আৰু তাড়না দিয়াৰ বন্ধ হ'বৰ নিমিত্তে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

মই তোমালোকক চপাম” ঈশ্বৰে এজন উদ্ধাৰকৰ্ত্তাক যোগাইছিল “তেওঁলোকে যিহোৱাৰ আগত কাতৰোক্তি কৰাৰ পাছত যিহোৱাই তেওঁলোকক সহায় কৰিবৰ কাৰণে এজন উদ্ধাৰকৰ্ত্তা থিয় কৰালে, তেওঁ হ'ল কলজৰ পুত্ৰ কালেবৰ ভায়েক অৎনীয়েল। যিহোৱাৰ আত্মা অৎনীয়েলৰ ওপৰত স্থিতি হোৱাত তেওঁ ইস্ৰায়েলৰ বিচাৰ কৰিলে। অৎনীয়েল যেতিয়া যুদ্ধলৈ ওলায় গৈছিল, যিহোৱাই তেওঁৰ হাতত অৰামৰ ৰজা কুচন-ৰিচাথয়িমক তুলি দিলে আৰু তেওঁক জয়ী কৰিলে। অৎনীয়েলৰ থকা শক্তিৰ দ্বাৰাই তেওঁ কুচন-ৰিচাথয়িমক পৰাজিত কৰিলে (বিচাৰকৰ্ত্তা ৩ঃ৯, ১০)।” ফলস্বৰূপে ৪০ বছৰ ধৰি সেই ভূমিয়ে শান্তি অনুভৱ কৰিলে, ঈশ্বৰে অৎনীয়েলক কিভাৱে ইস্ৰায়েলসকলৰ উদ্ধাৰকৰ্ত্তাৰূপে নিয়োগ কৰিলে তাকে তাকে প্ৰদৰ্শন কৰিলে।

## ৩) গিদিয়োন

এতিয়া আমি গিদিয়োনলৈ আমাৰ মনোযোগ দিওঁহক ইস্ৰায়েলৰ সন্তানসকলে পুনৰ কু-আচৰণ কৰিবলৈ ধৰিলে। তাতে যিহোৱাই তেওঁলোকক মিদিয়নীয়াসকলৰ হাতত শোধাই দিলে আৰু তেওঁলোক সাত বছৰ ধৰি তেওঁলোকৰ অধীন হৈ থাকিল (বিচাৰকৰ্ত্তা ৬ঃ১)।

মিদিয়নীয়াসকলে ইস্ৰায়েলবাসীক অত্যাচাৰ কৰিবলৈ ধৰিলে। মিদিয়নীয়া, অমালেকীয়া আৰু পূব দেশৰ লোকসকলে আহি তেওঁলোকক আক্ৰমণ কৰে। তেওঁলোকে পশুধন আৰু তম্বু লগত লৈ ফৰিঙৰ জাকৰ দৰে আহে, ভয়তে ইস্ৰায়েলসকলে পাহাৰৰ মাজৰ ফাঁক, গুহা আৰু দুৰ্গবোৰ আশ্ৰয়ৰ ঠাই কৰি ল'লে (বিচাৰকৰ্ত্তা ৬ঃ২-৪ আৰু ৫)। তেতিয়া ইস্ৰায়েল বিলাকে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে। ঈশ্বৰে তেওঁলোকক অতীতত মিচৰৰ পৰা উদ্ধাৰ কৰিলে আৰু তাকে মনত পেলাই দিবলৈ এজন ভাববাদীক পঠালে আৰু ইমোৰীয়াবিলাকৰ দেৱ-দেৱীক ভয় নকৰিবলৈ উৎসাহ দিলে (বিচাৰকৰ্ত্তা ৬ঃ৮-১০)।

আনকি যেতিয়া তেওঁৰ লোকবিলাক বিপথগামী হৈছিল, তেওঁলোকৰ ক্ৰন্দনে ঈশ্বৰক এজন মনোনীতলোকক তেওঁলোকক উদ্ধাৰ কৰিবলৈ পঠাইছিল।

আমিও ঈশ্বৰৰ মাত শুনাত ব্যৰ্থ হওঁ কিন্তু যেতিয়া আমালৈ সমস্যা আহে, আমি তেওঁলৈ ক্ৰন্দন আৰু তেওঁৰ দয়াত, তেওঁ আমাক সমস্যাৰ পৰা ৰক্ষা কৰে।

ইস্ৰায়েলক ৰক্ষা কৰিবলৈ, ঈশ্বৰে তেওঁৰ দূতক পঠাইছিল, তেওঁ আহি অফ্ৰাত থকা ওখ গছৰ তলত বহিল। এই ঠাই অবীয়েজীয়া বংশৰ যোৱাচৰ অধীনত আছিল। তাত যোৱাচৰ পুত্ৰ গিদিয়োনে মিদিয়নীয়াসকলৰ পৰা শস্য লুকুৱাই ৰাখিবৰ বাবে দ্ৰাক্ষাগুটি মৰা ঠাইত ঘেহুঁধান মাৰি আছিল। এনে সময়ত দূতে আহি গিদিয়োনক ক'লে, হে শক্তিশালী যোদ্ধা, যিহোৱা তোমাৰ লগত আছে। তেতিয়া গিদিয়োনে তেওঁক প্ৰশ্ন কৰি ক'লে যে যদি তেওঁলোকৰ লগত যিহোৱা আছে তেন্তে কিয় কষ্টৰ সন্মুখীন হৈ আছে। তেওঁলোকৰ পূৰ্ব বংশৰ আচৰিত কৰ্মৰ বিষয়তো সন্দেহ প্ৰকাশ কৰিলে।

প্ৰথম অৱস্থাত গিদিয়োনে মোৰ দৰে নানা অজুহাত দেখুৱাই অনিচ্ছা প্ৰকাশ কৰা সত্বেও ঈশ্বৰে ইস্ৰায়েলক ৰক্ষা কৰিবৰ বাবে গিদিয়োনৰ দায়িত্বক নিশ্চিত কৰিছিল। “মই তোমাৰ সঙ্গত থাকিম। তাতে তুমি সকলো মিদিয়নীয়া সৈন্যক পৰাজিত কৰিবা” (বিচাৰকৰ্ত্তা ৬ঃ১৫-১৬)।

তেতিয়াও গিদিয়োনে বিশ্বাস কৰিবলৈ চেষ্টা কৰি আছিল আৰু তেওঁ ঈশ্বৰৰ পৰা এটা আচৰিত চিন চাব বিচাৰিলে। অনেক চিনবোৰ দেখাৰ পাছত গিদিয়োনে আৰু তেওঁৰ দলসমূহ মিদিয়ানীয়াহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ঈশ্বৰে গিদিয়োনক সতৰ্ক কৰি দি কৈছিল যে যদি তেওঁ অধিক সৈন্য লগত লৈ বিজয়ী হ'লে ইস্ৰায়েলসকলে নিজকে প্ৰশংসা কৰিব, ঈশ্বৰৰ আদেশক পালন কৰি গিদিয়োনে সকলোকে পৰীক্ষা কৰিলে আৰু ৩০০ লোকক বাচি ল'লে আৰু আনবিলাকক তম্বুলৈ পঠাই দিলে (বিচাৰকৰ্ত্তা ৭ঃ৮)।

সেই সময়ত মিদিয়ানীয়াৰ ছাউনী গিদিয়োনৰ ছাউনীৰ তলৰ উপত্যকাত আছিল আৰু সেই নিশাই ঈশ্বৰে গিদিয়োনক তললৈ নামি যাবলৈ পৰামৰ্শ দিলে আৰু বিজয় নিশ্চিত কৰিলে। “সেই উপত্যকাৰ মাজত মিদিয়োনীয়া, অমালেকীয়া আৰু পূবদেশীয় লোকসকলৰ বসতি ফৰিঙৰ জাকৰ দৰে আছিল। তেওঁলোকৰ উটবোৰৰ সংখ্যা গণিব নোৱাৰা সমুদ্ৰৰ তীৰৰ বালিৰ দৰে অগণন আছিল” (বিচাৰকৰ্ত্তা ৭ঃ১২)।

গিদিয়োন তেতিয়াও আতঙ্কিত হৈ আছিল। তেওঁক শত্ৰুৰ কথা গোপনে শুনিবলৈ কোৱা হৈছিল তেতিয়া এটা যৱৰ পিঠা যেন বাগৰি বাগৰি গিদিয়োনীসকলৰ তম্বুত খুন্দা মৰাত চেপেটা খায় পৰাৰ সপোনটোক প্ৰকাশ কৰিলে। (বিচাৰকৰ্ত্তা ৭ঃ১২)।

তেতিয়া গিদিয়োনে তেওঁৰ লোকসকলক তিনিটা দল কৰি ভাগ কৰিলে, প্ৰতিজনক এটাকৈ শিঙা, খালী কলহ আৰু জলন্ত জোঁৰ দিলে। তেওঁলোকে শিঙাবোৰ বজাই কলহবোৰ ভাগিলে আৰু চিঞৰি কবলৈ ধৰিলে, “যিহোৱা আৰু গিদিয়োনৰ তৰোৱাল” (বিচাৰকৰ্ত্তা ৭ঃ২০)।

প্ৰচলিত অস্ত্ৰৰ অভাৱ সত্বেও প্ৰসংশা ভৰা চিঞৰে অলৌকিক বিজয়ৰ নেতৃত্ব দি থাকোতে শত্ৰুবোৰ পলায় গৈছিল কিয়নো ঈশ্বৰে সিহঁতৰ মাজতে বিৰোধ সৃষ্টি কৰিছিল (বিচাৰকৰ্ত্তা ৭ঃ২২)। এই বিষয়টি ঈশ্বৰৰ পৰা এটা উপহাৰ আছিল। গিদিয়োনক ইস্ৰায়েলৰ বাবে এজন উদ্ধাৰকৰ্ত্তাৰ দৰে স্থাপন কৰিলে, আৰু ৪০ বছৰৰ শান্তি স্থাপন কৰিলে।

আমাৰ কষ্টৰ মাজত ঈশ্বৰলৈ কৰা প্ৰশংসাই ৰূপান্তৰকাৰী শক্তিক ধৰি ৰাখে আৰু দুখক আনন্দত পৰিণত কৰে। এজন উদ্ধাৰকৰ্ত্তাৰ ৰূপত গিদিয়োনৰ ভূমিকাই দুখ-কষ্টৰ সময়ত আমাৰ প্ৰাৰ্থনাই আমাক ৰক্ষা কৰে আৰু উদ্ধাৰ কৰিবলৈ এজন উদ্ধাৰকৰ্ত্তাক পঠাবলৈ অনুৰোধ কৰে।

যেতিয়া দুখত আমাৰ চকুলো বৈ যায় যিচয়া ৪১ঃ১০ পদটি পঢ়ক, যত লিখা আছে - “ভয় নকৰিবা, কিয়নো মই তোমাৰ লগত আছো” আৰু ৪৩ঃ৪ পদত এতিয়াও তুমি মোৰ দৃষ্টিত বহুমূল্য আৰু আদৰণীয়” সান্ত্বনা আৰু অনুপ্ৰেৰণা প্ৰদান কৰে।

কেতিয়াবা যেতিয়া আমি অকলে যাত্ৰা কৰো, অসন্তোষ যেন লাগিব পাৰে কিন্তু যেতিয়া আমি চিন্তাত পৰো আমাক সহায় কৰিবলৈ ঈশ্বৰে এজন সহযাত্ৰীক যোগাব, সেইসময়ত সেইব্যক্তিজন আমাৰ ত্ৰানকৰ্ত্তাৰ দৰে হ'ব। হস্পিতেলত ভৰ্ত্তি হৈ থকাৰ সময়ত আমাক প্ৰেমেৰে চিকিৎসা দিবলৈ ঈশ্বৰে অপৰিচিত ডাক্তৰ বা নাৰ্চক পঠাই। এই ব্যক্তিসকল ঈশ্বৰে পঠোৱা উদ্ধাৰকৰ্ত্তা হয়। আমাৰ বহুতে এনে স্বৰ্গীয় নিৰাপত্তা জীৱনত পায় থাকো।

*....Contd. to page 9*

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR** - Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 8.00 a.m. & 10.00 a.m. Sunday**
14. **Hindi Service : 4.00 p.m. Sunday**
15. **Telugu Service : 5.00 p.m. Sunday**
16. **English & Tamil Service : 6.00 p.m. Sunday**
17. Women's Prayer : 5.30 p.m. Wednesday
18. Men's Prayer : 7.00 p.m. Friday
19. Discipleship Meeting : 6.00 p.m. Saturday
20. House Meetings : 6.30 p.m. Tuesday & Thursday
21. Special Holy Communion : 6.00 a.m. 1st day of each month
22. Ministers Review Meeting : 5.30 p.m. First Saturday
23. Parents' Prayer : 4.00 p.m. First Sunday
24. Night Prayer : 9.30 p.m. Second Friday
25. Fasting Prayer : 9:30 a.m. Third Saturday
26. Holy Communion : Second Sunday Services
27. Youth / Kid Prayer : 10.00 p.m. daily
28. Staff Devotion : 9.00 a.m. daily
29. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৰল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদি হে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫


**"যিহোৱাত তোমাৰ সকলো চিন্তাৰ ভাৰ সমৰ্পণ কৰা, তেওঁ তোমাক প্ৰতিপালন কৰিব"** - গীতমালা ৫৫ঃ২২

১৯৬৯ চনত খ্ৰীষ্টিয়ান বিশ্বাসলৈ মোৰ প্ৰাথমিক প্ৰতিৰোধ থকা সত্ত্বেও প্ৰভু যীচুৰ সৈতে মোৰ জীৱন পৰিৱৰ্তন সাক্ষাত হৈছিল। মোৰ যি যি পুৰণি বন্ধুবিলাকে মোলৈ অনিষ্ট আনিব বিচাৰিছিল, তেওঁলোকৰ আৰু মোৰ মাজত ফাঁট সৃষ্টি হৈছিল আৰু অভিজ্ঞতাই মোক প্ৰভুলৈ চলায় আনিলে। যি কি নহওক ঈশ্বৰে এইদৰে মোক ৰক্ষা কৰিলে। যেনিবা মই তেওঁৰ চকুৰ মনি আছিলো।

ঈশ্বৰৰ পৰা অনেক প্ৰতিশ্ৰুতিৰ সৈতে মই ১৯৭১ চনত চেন্নাইলৈ আহিলো। চেন্নাইত প্ৰথম দিনটি প্ৰত্যাহ্বানযুক্ত আছিল। কোনো এজনো পৰিচিত লোকক নাপালো। পথৰ কাষতে নিশাটো কটাবলৈ বাধ্য হ'লো। ভয়তে মই গোটেই নিশা জাগি থাকিলো।

পুৱা প্ৰায় ২ বজাত দুজন আৰক্ষী বিষয়াই মোৰ ওচৰলৈ আহি মোৰ অৱস্থাৰ বিষয়ে অনুসন্ধান কৰিলে। মই মোৰ পৰিয়ালৰ বিষয়ে ক'লো আৰু যীচু খ্ৰীষ্টই কিদৰে মোৰ জীৱনক পৰিৱৰ্তন কৰিলে তাৰ সাক্ষ্য দিলো। যেতিয়া তেওঁলোকে মোৰ দোষ বিচাৰি নাপালে তেওঁলোকে মোক প্ৰশ্ন কৰিলে যে মই কিয় নিশা পথৰ ওপৰত আছো। এজন বিষয়াই মোক থানালৈ লৈ যাব বিচাৰিছিল কিন্তু আনজনে মন্তব্য কৰি ক'লে যে মই এটি সন্মানজনক পৰিয়ালৰ পৰা অহা যেন লাগিছো।

পাছত তেওঁ মোলৈ চাই ক'লে "আমাৰ লগত আহক।" তেওঁলোকে মোক আৰক্ষী থানালৈ নিলে আৰু আৰক্ষী বিভাগৰ আন কৰ্মীসকলৰ কাষত থকা গেৰেজ এটাত থাকিবলৈ মোৰ বাবে আয়োজন কৰি দিলে। মোৰ সুবিধাখিনিক নিশ্চিত কৰি তেওঁ ক'লে, "যি কোনোৱে এটি ভাল জীৱন বিচাৰে তেওঁৰ বাবে এইটোৱেই এটা নিৰাপদ আৰু উপযুক্ত ঠাই। মই আপোনাক সহায় কৰাৰ দ্বাৰাই মোৰ অন্তৰত সন্তোষ অনুভৱ কৰিছো। যদিও মই এই উৎসৰ বিষয়ে অনিশ্চিত।" তেওঁ আৰু ক'লে, "এই গেৰেজটোত এডাল সাপে প্ৰত্যেক নিশাত আহি ওলাই হি। তথাপি সাপটোৱে আজিলৈকে কাকো একো ক্ষতি কৰা নাই।



গতিকে চিন্তা কৰাৰ প্ৰয়োজন নাই। যদি আপুনি সাপটোক দেখিব তেতিয়া মনে মনে থাকিব। স্বৰ্গীয় শক্তিয়ে আপোনাক চলায় আছে আৰু আপোনাক ৰক্ষা কৰিব" মই আৰু পুনৰ সেই আৰক্ষী বিষয়াজনক কেতিয়াও লগ নাপালো।

যেতিয়া পুৱা হ'বলৈ ধৰিলে মোক এনে লাগিছিল যেন মই এটা গাঁতত পৰি আটক খাই আছো বাঘৰ মুখামুখি হোৱাৰ দৰে ভয় খাইছিলো। সাপ দেখাৰ বিষয়ে জনাৰ পাছত মই এগিলাচ পানী ল'লো আৰু কোঠাটোৰ চাৰিওফালে প্ৰাৰ্থনা কৰি কৰি চটিয়াই দিলো যীচু খ্ৰীষ্টৰ নামত বিজয় হয়।" উল্লেখযোগ্যভাৱে যিমান দিন তাত থাকিলো তাৰে এদিনো এটা পোক বা সাপ সেই গেৰাজটোত নোসোমালে, নিৰাপদ স্বৰ্গৰ দৰে আছিল।

তাত থকা সময়ত মই অনেক আৰক্ষী বিষয়া সকলৰ লগত বন্ধুত্ব স্থাপন কৰিছিলো। তেওঁলোকে মুকলিভাৱে মোৰ লগত সকলো সমস্যাৰ কথা কৈছিল আৰু মোৰ প্ৰাৰ্থনাৰ দ্বাৰাই বহুতে তেওঁলোকৰ সমস্যাৰ সমাধান পালে আৰু আনকি যীচু খ্ৰীষ্টক তেওঁলোকৰ ব্যক্তিগত ত্ৰানকৰ্তাৰূপে গ্ৰহণ কৰিলে। সেই ঠাইত স্বৰ্গীয় উপস্থিতিৰ প্ৰমান আছিল আৰু ফলস্বৰূপে মোক বহুত সন্মান দিয়া হৈছিল আৰু যত্ন লোৱা হৈছিল। অবৰ্ননীয় আনন্দ নিৰাপত্তাৰ অভিজ্ঞতা পাইছিলো।

তাৰ পাছত ঈশ্বৰে মোক এটা বেলেগ ঠাইলৈ চলায় নিলে আৰু এটা ভাড়া ঘৰত থাকিবলৈ মোক সহায় কৰিলে। দয়ালু ঈশ্বৰ যিবিলাকে প্ৰভু ঈশ্বৰত বিশ্বাস ৰাখে তেওঁলোকৰ একো অভাৱ ন'হব। যীচু খ্ৰীষ্ট পৰিৱৰ্তন নোহোৱাকৈ থাকে। তেওঁ কালি আজি আৰু সদাকাললৈকে একে হৈ থাকে। তেওঁ আপোনাৰ জীৱনত অসাধাৰণ কাৰ্য কৰিব।

মৰুভূমিত মোৰ যাত্ৰাই মোক ক্লান্ত কৰা সময়ত

মোৰ প্ৰিয়জনে মোক শান্তনা দিয়া আৰু আশীৰ্বাদ কৰাৰ স্বৰ মই শুনো।

যদিও চুফ সাগৰ মোৰ বিৰুদ্ধে উঠিছে প্ৰভুৱে মোক উদ্ধাৰ কৰিব আৰু এটি পথ দেখুৱাব,

মোৰ সমস্ত পতিপক্ষক পৰাজিত ও ধ্বংস কৰিবলৈ তেওঁ মোক নিশ্চয়ে উদ্ধাৰ কৰিব আৰু নতুন শক্তি প্ৰদান কৰিব।

❖❖❖❖❖

....Contd. from page 6

ঈশ্বৰে আমাৰ সোঁফালে ছাঁৰ দৰে সেৱা কৰে, ৰক্ষা কৰে। যি মুখবিলাক আন্তৰিকভাৱে তেওঁৰ ফালে চায় সেইবিলাক আলোকিত হয়। আমাৰ ভুল সত্বেও আমি স্বীকাৰ কৰা উচিত। ঈশ্বৰৰ লগত পুনৰ মিলন কৰক আৰু আমাৰ বিবেকৰ কথা শুনক।

মোচি বহুত বছৰৰ আগেয়ে বিবেকৰ দ্বাৰাই চিহ্নিত হৈছিল আৰু মোচিৰ যোগেদি, ঈশ্বৰে বিধান আৰু আজ্ঞাবোৰক দিলে। এইবোৰে ঐশ্বৰিক জীৱন-যাপন কৰিবলৈ সহায় কৰি আছে।

এতিয়া যোনাৰ কাহিনীৰ গভীৰতালৈ যাওঁ।

## ৪) যোনা

বাইবেলত যোনা এজন ভাৱবাদী আছিল। তেওঁক ঈশ্বৰৰ দ্বাৰাই কোৱা হৈছিল যে তেওঁ নীনবিলৈ গৈ মানুহবিলাকক সিহঁতৰ দুষ্টতাৰ বিষয়ে সাৱধান কৰি দিব লাগে। কিন্তু যোনাই ঈশ্বৰৰ অবাধ্য হৈ তাৰ্চীচলৈ যোৱা এখন জাহাজত উঠি পলায় থাকোতে সাগৰত ভয়ঙ্কৰ ধুমুহা হ'ল।

যোনাৰ অবাধ্যতাৰ বিষয়ে জানি, জাহাজৰ মানুহবিলাকে তেওঁক সাগৰত পেলাই দিছিল। তেতিয়া ঈশ্বৰে এটা ডাঙৰ মাছক তেওঁক গিলিবলৈ পঠালে। এই মাছটোৱেই যোনাৰ উদ্ধাৰকৰ্ত্তাৰূপে কাৰ্য্য কৰিলে। তিনি দিনৰ পাছত মাছটোৱে নানাবীৰ শুকান ভুমিত বমি কৰি যোনাক উলিয়াই দিছিল।

যোনাই নিজৰ ভুল পৰা শিক্ষা পালে। মানুহক পাপক ত্যাগ কৰিবলৈ শিক্ষা দিলে। তেওঁলোকক পাপ স্বীকাৰ কৰালে আৰু এইদৰে তেওঁলোকৰ উদ্ধাৰকৰ্ত্তা হ'ল।

আমি যিমান উদ্ধাৰকৰ্ত্তসকলক দেখিছো তেওঁলোকে মানুহবিলাকক ঈশ্বৰবিহীন শাসক বিলাকৰ অধীনৰ পৰা ৰক্ষা কৰিছে আৰু আৰু যিসকলে অবাধ্যতাৰ বাবে পৰিণাম ভুগি আছে তেওঁলোককো ৰক্ষা কৰিছে। যদিও এই উদ্ধাৰকৰ্ত্তাসকলৰ মৃত্যু হ'ল আৰু মৈদামো দিয়া হ'ল, মানুহবোৰে একেৰাহে পাপকৰ্ম কৰি থাকিল। ঈশ্বৰে তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টক মানুহৰ ৰূপত এই জগতলৈ পঠালে। পাপহীন যীচু খ্ৰীষ্টক মানুহৰ ৰূপত এই জগতলৈ পঠালে। পাপহীন যীচুৱে ক্ৰুচত উঠিল। চাবুকৰ আঘাতক সহ্য কৰিলে। তেওঁৰ তেজ বোৱালে আৰু ক্ৰুচবিদ্ধ হৈ আমাৰ পাপৰ বাবে তেওঁৰ জীৱনক বলিদান দিলে। তৃতীয় দিনা তেওঁ জী উঠিল। যীচু আমাৰ লগত আছে, সহায় কৰি আছে, শুধৰাই আছে, আনকি আমি স্বৰ্গ নোযোৱা পৰ্য্যন্ত আমাক ৰক্ষা কৰি আছে। তেওঁৰ মৈদামনী এতিয়াও মেলা হৈ আছে। অনন্ত জীৱনৰ চিন হিচাপে আছে।

আমাৰ ভুলবোৰ থকা সত্বেও আমাৰ ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টই সহায় কৰে, শুধৰাই দিয়ে আৰু ৰক্ষা কৰে। তেওঁ তেওঁৰ পৰিকল্পনাৰ মতে আমাক চলায় আৰু আমি স্বৰ্গ গৈ নোপোৱালৈ আমাৰ ওপৰত দৃষ্টি ৰাখে।

প্ৰত্যেক প্ৰিয় পঢ়োৱৈক এটা গুৰুত্বপূৰ্ণ বাৰ্ত্তা দিব বিচাৰো ঃ "ঈশ্বৰৰ ওচৰলৈ চাপি আহক তাতে তেওঁ আপোনালোকৰ ওচৰ চাপিব" (যাকোব ৪ঃ৮) আৰু কব বিচাৰো যিসকল বিশ্বাসী হৈ তেওঁক অনুসৰণ কৰে আৰু তেওঁৰ আজ্ঞাবোৰক ধৰি ৰাখে তেওঁলোকক আশীৰ্বাদ কৰিবলৈ তেওঁ প্ৰতিশ্ৰুতি দিয়ে ঃ "মই সঁচাকৈ তোমালোকক কওঁ, তোমালোক যিসকল মোৰ অনুগামী হ'লা নতুন সৃষ্টিৰ সময়ত যেতিয়া মানুহৰ পুত্ৰ সিংহাসনত বহিব তেতিয়া তোমালোকেও বাৰখন সিংহাসনত বহিবা আৰু ইস্ৰায়েলৰ বাৰ ফৈদৰ বিচাৰ কৰিবা" (মথি ১৯ঃ২৮)। এই উল্লেখনীয় আশীৰ্বাদক আৰু কোনেনো পাব?

এই পাপময় পৃথিৱীত ব্যক্তি হিচাবে জন্ম গ্ৰহণ কৰিছো। আমি আন্তৰিকতাৰে এই ত্ৰাণকৰ্ত্তাক অনুসৰণ কৰা উচিত। যিজনে আমাক পৱিত্ৰতালৈ পৰিৱৰ্তন কৰে। ভৱিষ্যতে তেওঁৰ সিংহাসনত তেওঁৰ কাষত বহিম আৰু বিচাৰকৰ্ত্তাৰ দৰে থাকিম এই বুলি কল্পনা কৰি আহক আমি এটা পৱিত্ৰতাৰ জীৱন লৈ চলিম। আৰু আহক আমি এই অসাধৰণ জীৱনৰ বাবে যোগ্য হ'বলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ হ'ম। "আপোনালোকক আমন্ত্ৰন কৰাজন যেনে পৱিত্ৰ, আপোনালোকো সকলো আচাৰ ব্যৱহাৰত তেনে পৱিত্ৰ হওক" (১ পিতৰ ১ঃ১৫ পদ), "তোমালোক পৱিত্ৰ হোৱা, কাৰণ মই পৱিত্ৰ" (১ পিতৰ ১ঃ১৬ পদ)।

প্ৰভু ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক আৰু সহায় কৰক। আমেন

❖❖❖❖❖


# URGENT

We require approximately 1000 Hindi Christian books for **our Nehemiah Bible Colleges**. Kindly inform us about the possibility of obtaining theological Hindi books.

**Please stop sending books in English and Tamil languages.** Thank you.

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

# WANTED

**PRINCIPAL & TEACHERS for**

**ST. PAUL'S MATRICULATION SCHOOL,**
**An *Echo of His Call* Institution**
**Vijayanagaram, Medavakkam, Chennai - 100.**

We need well qualified, experienced, dedicated, hard working and mission oriented Christians. We also need eligible students.

Apply with Bio-data to
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

# WANTED for

**NEHEMIAH BIBLE COLLEGE**
**of ECHO OF HIS CALL, Chennai**
*** HINDI LANGUAGE ***
**ATA - Registered Candidate for Membership**

**DEAN (Residential):**
Hindi Theologian with M.Div. / M.Th. Degree & experience. Boarding, Lodging and Salary will be paid. We also need deserving Hindi students.

Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

Google Pay: 98410 71858
PayPal : SAM SELVA RAJ

*****

E.mail : sam@echoofhiscall.org

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা      জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th APRIL 2024
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers**, New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**